



- ২০১৬-১৭ বৰ্ষত বিভিন্ন কৃষি আঁচনিৰ জৰিয়তে কৃষকৰ মাজত মুঠতে ৩৯১৯ খন পাৱাৰ টিলাৰ, ৭৭৪৮৮.৫০ কুইণ্টল বিভিন্ন ৰবি শস্যৰ বীজ কৃষকৰ মাজত বিতৰণ কৰা হৈছে। এই বছৰটোত গ্ৰাম্য আন্ত:গাঁথনি পুঁজিৰ অধীনত কৃষকৰ মাজত ১ লাখ অগভীৰ নলীনাদ/নিম্ন উত্তোলক পাম্প আৰু ১০০০ সৌৰশক্তিচালিত জলসিঞ্চনৰ পাম্প বিতৰণ কৰাৰ বাবে মঞ্জুৰী লাভ কৰা হৈছে। কৃষিক্ষেত্ৰত জলসিঞ্চনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলগীয়া এইসমূহ যন্ত্ৰপাতি কৃষকৰ মাজত বিতৰণ কৰাৰ বাবে প্ৰয়োজনীয় প্ৰক্ৰিয়া চলি আছে।
- প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনা (**PMKSY**)ৰ অধীনত 'ৰাজ্যিক জলসিঞ্চন আঁচনি'ৰ সৈতে ২৭ খন জিলা জলসিঞ্চন আঁচনি প্ৰস্তুত কৰাৰ কাম সম্পন্ন হৈছে।
- নিশ্চিত জলসিঞ্চনৰ সুবিধা বৃদ্ধি পোৱাৰ ফলত ৰাজ্যখনত দুটা খেতি কৰা কৃষিভূমি ২০১৫-১৬ বৰ্ষৰ ৮,০৭,১১৭ হেক্টৰৰ পৰা বৃদ্ধি পাই ২০১৬-১৭ বৰ্ষত ১০,২৮,৫৯৯ হেক্টৰ হৈছেগৈ।
- অধিক উৎপাদনক্ষম আলুৰ নতুন জাতৰ সম্প্ৰসাৰণত গুৰুত্ব দি ২০১৬-১৭ বৰ্ষত ১০২১ হেক্টৰ কৃষিভূমি এনে নতুন জাতৰ আলুৰ প্ৰদৰ্শনমূলক খেতিৰ জৰিয়তে সামৰি লোৱা হৈছে। বছৰটোত আলুখেতি কৰা মুঠ ১,০৩,৮১২ লাখ হেক্টৰ কৃষিভূমিৰ পৰা ৬.৯৪ লাখ মেট্ৰিকটন আলু উৎপাদন হ'ব বুলি অনুমান কৰা হৈছে। ৰাজ্যত প্ৰচুৰভাবে আলু উৎপাদন হোৱাৰ পৰিপ্ৰেক্ষিতত আলুখেতি কৰা কৃষকৰ আলু ক্ৰয় কৰি সকাহ দিয়াৰ উদ্দেশ্যে অসম কৃষি সামগ্ৰী বিপণন পৰিষদলৈ তাৎক্ষণিকভাবে ১.৫০ কোটি টকা মুকলি কৰি দিয়া হৈছে।
- ষ্ট্ৰবেৰীৰ দৰে উচ্চ মানসম্পন্ন আৰু লাভজনক উদ্যানশস্যৰ খেতিৰ সম্প্ৰসাৰণত গুৰুত্ব দিয়া হৈছে। আনহাতে উৎপাদনৰ পৰা বিপণনলৈকে সমগ্ৰ প্ৰক্ৰিয়াটোত সুস্থিৰতা অনাৰ উদ্দেশ্যে ২০১৬-১৭ বৰ্ষত ১৫০০০ কৃষকক সামৰি ১০টা কৃষক উৎপাদক কোম্পানী গঠন কৰা হৈছে।
- ২০১৬ বৰ্ষত ৰাজ্যখনৰ বিভিন্ন জিলাৰ শালিধান খেতিত দেখা দিয়া শূঁৰ পোকৰ আক্ৰমণ অতি কম সময়ৰ ভিতৰতে নিয়ন্ত্ৰণ কৰিব পৰাটো বিভাগৰ এটি উল্লেখযোগ্য সফলতা। ৰাজ্যখনৰ মুঠ ৫৬,৭৬৮ হেক্টৰ শূঁৰ পোকৰ দ্বাৰা আক্ৰান্ত শালিধান খেতি কৃষক ৰাইজৰ সহযোগত ৩৯২০টা স্প্ৰেয়াৰ আৰু ৫৭১৯০ লিটাৰ কীটনাশক দৰৱৰ প্ৰয়োগেৰে নিয়ন্ত্ৰণ কৰিব পৰা হৈছিল।



*আমাৰ কৃষি,আমাৰ কৃষক, আমাৰ অসম....*

# পৰিৱৰ্তনকামী কৃষিৰ সফল অধ্যায় ঃ ২০১৬-১৭









## কৃষি বিভাগ, অসম



## পৰিৱৰ্তনকামী কৃষিৰ সফল অধ্যায় ঃ ২০১৬-১৭



*পৰিৱৰ্তনশীল সময়, পৰিৱৰ্তনশীল আমাৰ কৃষি।*
*সময়ৰ সৈতে খোজ মিলাই আগবাঢ়িছে আমাৰ কৃষক, আমাৰ কৃষিখণ্ড।*
*বিগত এটা বছৰে নতুন চিন্তা, নতুন ধাৰণাৰ সংযোজনেৰে আগবঢ়াই নিব বিচৰা হৈছে আমাৰ কৃষিখণ্ডক।*
*তাৰেই কেইটিমান উদাহৰণ —*

- শস্য বীমা আঁচনিক কৃষকৰ মাজত জনপ্ৰিয় কৰি তুলিবলৈ প্ৰয়াস কৰা হৈছে। শস্য বীমা আঁচনিৰ অধীনত ২০১৬ বৰ্ষৰ পূৰ্বৰ তিনিটা বছৰত প্ৰিমিয়াম চাবচিডি হিচাপে ৰাজ্য চৰকাৰৰ অংশৰ কোনো ধন কৃষকলৈ মুকলি কৰি দিয়া হোৱা নাছিল। কিন্তু শস্য বীমা কৰা কৃষকক সকাহ দিবলৈ ২০১৬-১৭ বৰ্ষত কৃষি বিভাগে ২০১৩ বৰ্ষৰ পৰা ২০১৬ বৰ্ষৰ খাৰিফ বতৰলৈ শস্য বীমা আঁচনিৰ প্ৰিমিয়াম চাবচিডিৰ ৭ কোটি ৫৪ লাখ টকা কৃষকলৈ মুকলি কৰি দিছে।
- গ্ৰামাঞ্চলৰ নিবনুৱা যুৱক-যুৱতীৰ সামূহিক অংশগ্ৰহণেৰে কৃষিকাৰ্যৰ অনুপযোগী পতিত মাটিত তৈল খেজুৰৰ খেতি কৰি নিশ্চিত আয়ৰ পথ প্ৰশস্ত কৰিবলৈ প্ৰয়াস কৰা হৈছে। ২০১৬-১৭ বৰ্ষত অসমত তৈল খেজুৰে অধিকাৰ কৰা কৃষিভূমি পূৰ্বৰ ৫৬০ হেক্টৰৰ পৰা প্ৰায় দুগুণ বৃদ্ধি পাই ১০২৫ হেক্টৰ হৈছে। তেনেদৰে তৈল খেজুৰৰ খেতি কৰা কৃষকৰ সংখ্যাও পূৰ্বৰ ৭৯৯ জনৰ পৰা বৃদ্ধি পাই এই বছৰটোত ১৮২২ জন হৈছে।
- কৃষকে উৎপাদন কৰা শস্যৰ বীজৰ বিপণনত সহায়ক হোৱাকৈ কৃষি বিভাগৰ দ্বাৰা পঞ্জীয়নভুক্ত বীজ উৎপাদক আৰু অনুমোদিত বীজ ডীলাৰৰ মাজত প্ৰত্যক্ষ যোগাযোগ স্থাপন কৰা হৈছে। ইয়াৰ ফলত পঞ্জীয়নভুক্ত বীজ উৎপাদকে উৎপাদন কৰা বীজ ডীলাৰে ক্ৰয় কৰাটো নিশ্চিত হৈছে। মানবিশিষ্ট বীজৰ যোগান নিশ্চিত কৰিবলৈ এই প্ৰক্ৰিয়াটোত থলুৱা বীজ সংসাধন গোটসমূহকো সামৰি লোৱা হৈছে। অসম ৰাজ্যিক বীজ প্ৰমাণিকৰণ অভিকৰণক শক্তিশালী কৰি পঞ্জীভুক্ত বীজ উৎপাদকৰ জৰিয়তে অসমত বিভিন্ন শস্যৰ মানসম্পন্ন বীজ উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰিবলৈ প্ৰচেষ্টা লোৱা হৈছে।
- কৃষি সামগ্ৰীৰ ক্ৰয় আৰু যোগান প্ৰক্ৰিয়াটোত স্বচ্ছতা আনিবলৈ প্ৰথমবাৰৰ বাবে ই-টেণ্ডাৰিং ব্যৱস্থাৰ সূচনা কৰা হৈছে।
- শালি ধান চপোৱাৰ পাছত চন পৰি থকা মাটিত মাহজাতীয় আৰু তেলজাতীয় শস্যৰ খেতি কৰি কৃষকৰ আয় অতিৰিক্তভাৱে বৃদ্ধি কৰিবলৈ ২০১৬-১৭ বৰ্ষত অসমত প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ Targeting Rice Fallow Areas in Eastern India for Pulses and Oilseeds শীৰ্ষক এখন নতুন আঁচনি ৰূপায়ণ কৰা হৈছে। অসমৰ শিৱসাগৰ, গোলাঘাট আৰু নগাঁও জিলাত এই আঁচনিখন ৰূপায়ণ কৰা হৈছে। ইয়াৰ ফলত ৰাজ্যখনত সামগ্ৰিকভাৱে মাহজাতীয় শস্যৰ কৃষিভূমি অতিৰিক্তভাৱে ৬১০০ হেক্টৰ আৰু তেলজাতীয় শস্যৰ কৃষিভূমি অতিৰিক্তভাৱে ৯০০০ হেক্টৰ বৃদ্ধি পাইছে। তেনেদৰে, আঁচনিখন ৰূপায়ণৰ ফলত বছৰটোত অসমত মাহজাতীয় শস্য আৰু তেলজাতীয় শস্যৰ উৎপাদন ক্ৰমে ৪৬,১৭৭কুইণ্টল আৰু ৬২,৪৬০ কুইণ্টল অতিৰিক্তভাৱে বৃদ্ধি পাইছে।
- ভূমি স্বাস্থ্য পত্ৰ (Soil Health Card)ৰ প্ৰস্তুতি আৰু কৃষকৰ মাজত ইয়াৰ বিতৰণৰ কাম ক্ষীপ্ৰ কৰি তুলিবলৈ অসমত ২০১৬-১৭ বৰ্ষত ২১৪টা ক্ষুদ্ৰ ভূমি পৰীক্ষাগাৰ ক্ৰয় কৰা হৈছে। বছৰটোত ১,৪৫,৭৩২খন ভূমি স্বাস্থ্য পত্ৰ কৃষকৰ মাজত বিতৰণ কৰা হৈছে। এই বছৰটোতেই গ্ৰাম্য আন্তঃ গাঁথনি পুঁজিৰ অধীনত ৰাজ্যখনত ২৬টা 'ভূমি পৰীক্ষা, মান নিৰূপণ আৰু কৃষি সামগ্ৰী পৰীক্ষণ পৰীক্ষাগাৰ' স্থাপন কৰিবলৈ মঞ্জুৰী লাভ কৰা হৈছে।



- কৃষিক সন্মানজনক জীৱিকা হিচাপে গ্ৰহণ কৰি নিজৰ লগতে ৰাজ্যখনৰ কৃষি-অৰ্থনীতিৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাত উৎসাহিত কৰি তুলিবলৈ ৰাজ্যৰ প্ৰগতিশীল কৃষকসকলক বিভিন্নধৰণে স্বীকৃতি দিয়াৰ প্ৰয়াস কৰা হৈছে। এনে প্ৰয়াসৰ অংশ হিচাপে ২০১৭ বৰ্ষৰ ২৮ জানুৱাৰী তাৰিখে দৰং জিলাৰ পথৰুঘাটৰ কৃষক স্বহীদ দিৱসত ৰাজ্যখনৰ বিভিন্ন জিলাৰ ২২ গৰাকী প্ৰগতিশীল কৃষকক অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই সম্বৰ্দ্ধনা জনোৱাৰ লগতে প্ৰতিগৰাকী কৃষকলৈ নগদ ৫০ হাজাৰ টকা, মানপত্ৰ আৰু এটি স্মাৰক প্ৰদান কৰে।
- ৰাজহুৱা পুঁজি ব্যৱস্থাপনা (PFMS)ৰ অধীনত 'প্ৰত্যক্ষ লাভ হস্তান্তৰ' (DBT) ব্যৱস্থাৰ জৰিয়তে কৃষকে বিভিন্ন কৃষি যন্ত্ৰপাতি, কৃষি সামগ্ৰী আদিত থকা ৰাজসাহায্য বেংকৰ জৰিয়তে প্ৰত্যক্ষভাৱে লাভ কৰাত সুবিধা হোৱাকৈ ৰাজ্যৰ বিভিন্ন জিলাত কৃষক শিবিৰ অনুষ্ঠিত কৰা হৈছে। অসমত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত এনে শিবিৰসমূহৰ ফলত 'প্ৰত্যক্ষ লাভ হস্তান্তৰ' ব্যৱস্থাৰ প্ৰতি কৃষক ৰাইজ আকৰ্ষিত হৈছে।

